সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca Foundation



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

দশম শ্রেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৬

উদ্যোগী হওঁ আহাঁ

অংশ - ৩

অংগৰাগ ভূঞা

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১।

(ক) দশম শ্ৰেণীৰ শ্ৰেণীকোঠাত সোমোৱা শ্ৰেণী-শিক্ষক গৰাকীৰ নাম কি?

উত্তৰঃ দশম শ্ৰেণীৰ শ্ৰেণীকোঠাত সোমোৱা শ্ৰেণী-শিক্ষক গৰাকীৰ নাম আছিল প্ৰকাশ গোস্বামী।



(খ) শ্ৰেণী-শিক্ষকগৰাকীয়ে আলোচনা কৰিবলৈ লোৱা নতুন বিষয়টো কি আছিল?



উত্তৰঃ শ্ৰেণী-শিক্ষকগৰাকীয়ে আলোচনা কৰিবলৈ লোৱা নতুন বিষয়টো আছিল- এজন ব্যক্তিয়ে কেনেকৈ নিজকে উদ্যোগী ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰে।



(গ) এজন উদ্যোগী আৰু কমহীন নিবনুৱাৰ মাজত থকা ক্ষুদ্ৰ ব্যৱধান কি?



উত্তৰঃ এজন উদ্যোগী আৰু কৰ্মহীন নিবনুৱাৰ মাজত থকা ক্ষুদ্ৰ ব্যৱধানটো হ'ল এলাহ।



(ঘ) এজন সফল উদ্যোগী হ'বলৈ কি কি গুণৰ প্ৰয়োজন?



উত্তৰঃ এজন সফল উদ্যোগী হ'বৰ বাবে লাগিব ধৈর্য, একাগ্রতা, নিয়মানুবর্তিতা, সময়ানুবর্তিতা, আত্মবিশ্বাস আৰু হাৰ নমনা মনোবৃত্তি।



(ঙ) ক'কা ক'লা কোম্পানীৰ বিজ্ঞাপনটোত কোৱা কথাটো কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ক'কা ক'লা কোম্পানীৰ বিজ্ঞাপনটোত কোৱা কথাটো হ'ল – Eat cricket. sleep cricket, dream cricket, drink cricket.



(চ) নাৰায়ণ মূৰ্ত্তী কোন?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ নাৰায়ণ মূৰ্তী ভাৰতবৰ্ষ তথা বিশ্বৰ এজন সফল উদ্যোগী। তেওঁ ইনফ্চিচ (Infosys) কোম্পনীৰ প্ৰতিষ্ঠাপক।



(ছ) বিজিতে ছাৰক উদ্যোগী সম্পৰ্কে কি কৈছিল?



উত্তৰঃ বিজিতে ছাৰক উদ্যোগী সম্পর্কে কৈছিল যে যিজন ব্যক্তিয়ে নিজে ব্যৱসায় বা উদ্যোগ আৰম্ভ কৰি কোনো বস্তু বা সেৱা বিক্রী কৰি নিজৰ জীৱিকা উলিওৱাৰ লগতে আনকো কর্ম সংস্থাপন দিবলৈ সক্ষম হয়, তেৱেঁই এজন উদ্যোগী।



(জ) প্ৰথম অৱস্থাত উদ্যোগীয়ে কি কৰিবলৈ সাজু থাকিব লাগিব?



উত্তৰঃ প্ৰথম অৱস্থাত এজন উদ্যোগীয়ে জোতা চিলাইৰ পৰা চণ্ডীপাঠ কৰিবলৈও সাজু থাকিব লাগিব।



(ঝ) টমাচ আলফা এডিছনে ইলেকট্রিক বাল্ব তৈয়াৰ কৰাত বাৰে বাৰে বিফল হৈ কি কৈছিল?



উত্তৰঃ টমাচ আলভা এডিছনে ইলেক্ট্রিক বাল্ব তৈয়াৰ কৰাত বাৰে বাৰে বিফল হৈ কৈছিল – "মই বিফল হোৱা নাই। মাত্র বুজিলো যে ১০০০০ ধৰণে ই কাম নকৰে।"



২। চমুকৈ বুজাই লিখা :

(ক) 'উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ নিচান।'- শিক্ষকগৰাকয়ে কিয় এইদৰে ক'লে বুজাই লিখা।

উত্তৰঃ শিক্ষকজনে কোৱা কথাষাৰ আছিল "উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ নিচান।" শিক্ষকজনে এই কথাষাৰ কোৱাৰ কাৰণ হ'ল যে শ্রেণীকোঠাত শিক্ষকজনে যিটো নতুন বিষয় আলোচনা কৰিব লৈছিল সেই বিষয়টো আছিল এজন ব্যক্তিয়ে কেনেকৈনো নিজকে এজন উদ্যোগী ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰে। এই বিষয়টো আলোচনাৰ প্রসঙ্গত শিক্ষকজনে এই প্রবাদ বাক্যশাৰী ছাত্র-ছাত্রীসকলক কৈ শুনাইছিল।

(খ) সফল উদ্যোগী হ'বলৈ কিয় কঠিন?



উত্তৰঃ সকলোতকৈ সহজ কাম হ'ল এজন উদ্যোগী বা এন্ট্রাপিনিওৰ হোৱা। তাৰবাবে কোনো বিশ্ববিদ্যালয়ৰ ডাঙৰ ডিগ্রী নালাগে। ইয়াৰ বিপৰীতে আটাইতকৈ কঠিন কাম হ'ল এজন সফল উদ্যোগী হোৱা। কঠিন হোৱাৰ কাৰণ এয়ে যে এজন সফল উদ্যোগী হ'বলৈ ধৈর্য, একাগ্রতা, নিয়মানুবর্তিতা, সময়ানুবর্তিতা, আত্মবিশ্বাস আৰু হাৰ নমনা মনোবৃত্তিৰ 'ব্যক্তি হ'ব লাগিব। এইবোৰ গুণ সকলোৰে নাথাকে। শিক্ষকজনৰ মতে সেয়ে এজন সফল উদ্যোগী হোৱা কামটো অতি কঠিন।

(গ) এজন উদ্যোগী হ'বলৈ যোৱাটোও চাইকেল চলাবলৈ শিকাৰ দৰে একক প্ৰচেষ্টাৰে কৰা কাম বুলি শিক্ষকগৰাকীয়ে কিয় কৈছে বুজাই লিখা।

উত্তৰঃ কোনো মানুহে একেদিনাই চাইকেল চলাব নোৱাৰে। এদিন এদিনকৈ শিকোতে শিকোতেহে এদিন চাইকেল চলাব পৰা হয়। এজন উদ্যোগী হ'বলৈ যোৱাটোও চাইকেল চলাবলৈ শিকাৰ দৰে একক প্ৰচেষ্টাৰ কাম। বহুতেই প্ৰথম বিফলতাতে এৰি দিয়ে, কোনোবাই দুবাৰত এৰি দিয়ে, কোনোবাই তিনিবাৰত বিফল হ'লে এৰি দিয়ে। কিন্তু যিয়েই এৰি নিদি লাগি থাকে তেৱেঁই এদিন এজন সফল উদ্যোগী হয়গৈ। সেই কাৰণেই শিক্ষক গৰাকীয়ে এজন উদ্যোগী হ'বলৈ যোৱাটো চাইকেল চলাবলৈ শিকাৰ দৰে একক প্ৰচেষ্টাৰ কাম বুলি কৈছে।

(ঘ) উদ্যোগী কোনসকল ব্যক্তিক কোৱা হয় বুজাই লিখা।



উত্তৰঃ বিজিতৰ মতে উদ্যোগী সেইজনক কোৱা হয়, যিজনে নিজে ব্যবসায় বা উদ্যোগ আৰম্ভ কৰি কোনো বস্তু বা সেৱা বিক্রী কৰি নিজৰ জীৱিকা উলিওৱাৰ লগতে আনকো কর্মসংস্থান দিবলৈ সক্ষম হয়। আনহাতে শিক্ষকজনৰ মতে, নিজৰ ইচ্ছামতে নিজৰ সময়সূচী ঠিক কৰি নিজৰ উদ্ভাৱনা আৰু কর্মশক্তিৰে নিজকে প্রতিষ্ঠা কৰা প্রতিজন ব্যক্তিয়েই একো একোজন উদ্যোগী। সেই হিচাপত জুবিন, পাপনৰ দৰে এজন শিল্পী, এখন ৰেষ্টোৰাঁ বা ধাবাৰ মালিক, এখন গেলামাল দোকানৰ মালিক নতুবা এখন বিউটি পার্লাৰ চলোৱা ব্যক্তি সকলোৱেই একো একোজন উদ্যোগী।

৩। ইনফচিচ কোম্পানীৰ প্ৰতিষ্ঠাপক কোন? তেওঁ ভাৰতবৰ্ষ তথা বিশ্বৰ এজন সফল উদ্যোগী হোৱাৰ আঁৰৰ কাহিনীটো বৰ্ণনা কৰা।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ইন্‌ফচিচ কোম্পনীৰ প্ৰতিষ্ঠাপক হ'ল নাৰায়ণ মূৰ্তী।

অভিযান্ত্রিক শিক্ষা সমাপ্ত কৰি নাৰায়ণ মূৰ্তীয়ে কিছুদিন চাকৰি কৰাৰ পিছত চাকৰি ত্যাগ কৰি softronics নামৰ এক কোম্পানী প্ৰতিষ্ঠা কৰে। কিন্তু প্ৰতিষ্ঠা কৰাৰ ডেৰ বছৰৰ পাছতে দেউলীয়া হৈ কোম্পানীটো বন্ধ হে যায়। কোম্পানীটো বন্ধ হৈ যোৱাৰ পিছত তেওঁ পুনৰ চাকৰিত যোগদান কৰে যদিও অৱশেষত চাকৰি বাদ দি কেইজনমান বন্ধুৰ লগ লাগি Infosys নামৰ কোম্পনীটো আৰম্ভ কৰে। এই কোম্পানী খুলিবৰ বাবে নাৰায়ণ মূৰ্তীক তেওঁৰ পত্নীয়ে দহ হাজাৰ টকা নিজৰ সাঁচতীয়া ধনৰ পৰা আগবঢ়াই দিয়ে।

সেই দহ হাজাৰ টকা মূলধনেৰে আৰম্ভ কৰা ইন্‌ফচিচ প্ৰথম অৱস্থাত বহুতো বাধা, ঘাত-প্ৰতিঘাতৰ সম্মুখীন হ'ব লগা হৈছিল। নব্বেৰ দশকত তেতিয়াৰ বিত্তমন্ত্রীয়ে ভাৰতীয় অৰ্থনীতিক মুকলি কৰি দিয়াত ইন্‌ফচিচৰ হাতলৈ অফুৰন্ত সুযোগ আৰু সুবিধা আনি দিয়ে। ধৈর্য আৰু একাগ্রতাৰে সুযোগৰ অপেক্ষাত থাকি সময়ৰ শৰ সময়ত মৰা বাবে আজি নাৰায়ণ মূৰ্তী বিশ্বৰ ভিতৰত এজন সফল উদ্যোগী হ'ব পাৰিছে।

৪। "ছাৰ, এজন উদ্যোগী হ'বৰ বাবে শিক্ষাগত অৰ্হতা কেনেধৰণৰ হ'ব লাগিব?"-এইদৰে কোনে সুধিছিল? তাৰ উত্তৰত শিক্ষকে কি কৈছিল বুজাই লিখা।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ উক্ত প্ৰশ্নটো প্ৰীতমে কৰিছিল। তাৰ উত্তৰত শিক্ষকে কৈছিল, তুমি কোনটো দিশত উদ্যোগী হ'বলৈ বিচাৰিছা তাৰ ওপৰত তোমাৰ প্ৰয়োজনীয় শিক্ষাগত অৰ্হতাটো নিৰ্ভৰ কৰিব। এখন ধাবা বা এখন গেলামালৰ দোকান খোলাৰ বাবে অথবা এখন শাক- পাচলিৰ দোকান খুলিবৰ বাবে বিশেষ কোনো শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাই। কিন্তু এইবোৰ ব্যৱসায়তো কৃতকাৰ্য হ'বৰ বাবে বুদ্ধি আৰু সাধাৰণ জ্ঞানৰ প্ৰয়োজন হয়। আনহাতে এখন বিউটি পার্লাৰ বা মটৰ গাড়ী ভাল কৰা গেৰেজ বা মোবাইল ফোন, টিভি ভাল কৰা দোকান খুলিবৰ বাবে নিজৰ সেই কামৰ কৌশল থকাটো প্ৰয়োজন।

কেৱল আনৰ ওপৰত নির্ভৰ কৰি এনেবোৰ ব্যৱসায়ত কৃতকার্য হ'ব নোৱাৰি। আকৌ বর্তমান সময় প্রযুক্তি, তথ্য-প্রযুক্তি আৰু জ্ঞানৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা অর্থনীতি আৰু সমাজ ব্যৱস্থাৰ সময়। গতিকে এনেবোৰ বিষয়ত উদ্যোগী হ'ব বিচাৰিলে এনে বিষয়ৰ শিক্ষা, জ্ঞান আৰু কৌশলসমূহ আহৰণ কৰাটো অতিকে গুৰুত্বপূর্ণ।

৫। "এজন উদ্যোগী হোৱা যিমান সহজ, সফল হোৱাটো কিন্তু সিমান সহজ নহয়।"- কথাষাৰ পাঠৰ আধাৰত বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ শিক্ষকজনৰ মতে এজন উদ্যোগী হোৱা যিমান সহজ, সফল হোৱাটো কিন্তু সিমান সহজ নহয়। উদ্যোগী হ'বলৈ কোনো বিশ্ববিদ্যালয়ৰ ডাঙৰ ডিগ্রী নালাগে। এজন সফল উদ্যোগী হ'বলৈ লাগিব ধৈর্য, একাগ্রতা, নিয়মানুবর্তিতা, সময়ানুবর্তিতা, আত্মবিশ্বাস আৰু হাৰ নমনা মনোবৃত্তি। সকলোৰে পিছে এই গুণবোৰ নাথাকে। আনহাতে এজন উদ্যোগী হ'ব খোজা ব্যক্তি এলেহুৱা হ'ব পাৰে। কিন্তু সফল উদ্যোগী হ'বলৈ প্রথম অৱস্থাত ব্যক্তিজনে এলাহ বর্জন কৰি জোতা চিলাইৰ পৰা চণ্ডীপাঠলৈকে সকলোবোৰ কাম কৰিবলৈ সাজু থাকিব লাগে।

৬। "ভাৰতৰ সর্বতোকালৰ এজন সফল ব্যৱসায়ী ধীৰুভাই আম্বানীৰ হাতত মূলধনো নাছিল।"—

ধীৰুভাই আম্বানীয়ে হাতত মূলধন আৰু শিক্ষাগত অর্হতা নথকাকৈ কেনেকৈ এজন সফল উদ্যোগী হ'ব পাৰিছিল, বর্ণনা কৰা।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ বহুতৰে ধাৰণা যে উদ্যোগী হ'বৰ বাবে বহুতো মূলধনৰ প্রয়োজন। কিন্তু ভাৰতৰ সর্বতোকালৰ এজন সফল উদ্যোগী ধীৰুভাই আম্বানীৰ হাতত মূলধনো নাছিল অথবা তেওঁৰ ভাল শিক্ষাগত অর্হতাও নাছিল। তথাপি তেওঁ এজন সফল উদ্যোগী হ'ব পাৰিছিল। মেট্রিকতে শিক্ষা সমাপ্ত কৰা ধীৰুভায়ে প্রথমে পেট্রল ডিপোত তেল ভৰোৱা কাম কৰিছিল আৰু নিজৰ কামৰ বাবে ডিপোটোৰ মেনেজাৰ পদলৈ পদোন্নতি লাভ কৰিছিল। কিন্তু উদ্যোগী হৈ নিজকে প্রতিষ্ঠা কৰাৰ দুর্বাৰ হেঁপাহৰ বাবে তেওঁ চাকৰি বাদ দি ব্যৱসায় কৰাৰ সিদ্ধান্ত লয়।

‘মন কৰিলে চন, বাকৰি মাটিতে ধন’ – এই চিন্তাৰে আগবাঢ়ি যোৱা ধীৰুভাই আম্বানীয়ে মূলধন অবিহনেও কৌশলেৰে ৰাইজৰ পৰা ধন লৈ কাপোৰ তৈয়াৰ কৰি পুনৰ ৰাইজকে বেচি মুনাফা অর্জন কৰি তাৰ লাভাংশৰ ভাগ অংশীদাৰসকলৰ মাজতো বিতৰণ কৰিলে। যেন তেওঁ ‘তোমাৰ বাৰীৰে বাঁহগাজ আনি তাৰে কৰিছো খৰিচা, তোমাতে সলাই ধানদোন লৈছোঁ কথাটো মন কৰিছা কথাষাৰকে কার্যত পৰিণত কৰিলে। সময়ত ধীৰুভাই আম্বানীয়ে সেই ব্যৱসায়ত দোপতদোপে আগবাঢ়ি তেওঁ ৰিলায়েঞ্চ কমার্চিয়েল কর্পোৰেচন স্থাপন কৰে আৰু পৰৱর্তী সময়ত ইয়েই বিখ্যাত ৰিলায়েঞ্চ ইণ্ডাষ্ট্রীজ হয়গৈ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সেয়ে মূলধন নথকাকৈও যে সফল উদ্যোগী হ'ব পাৰে তাৰেই উৎকৃষ্ট উদাহৰণ ধীৰুভাই আম্বানী।

